# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-06-2024
**Time :** 1715 Hrs

## ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ সদস্যসকলৰ লগতে নিজৰ পদত্যাগ পত্ৰ দাখিল কৰে। শ্ৰীমতী মুৰ্মুৱে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ সদস্যসকলক নতুন চৰকাৰ গঠন নোহোৱা পৰ্যন্ত কাৰ্যভাৰ চলাই নিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে আজি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়কো সাক্ষাৎ কৰে। অহা ৮ জুনত শ্ৰীমোদীয়ে পুনৰ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰী বাসভৱনত আজি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অন্তিমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত চৰকাৰে জনসাধাৰণৰ বাবে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। এই ধাৰা পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি তেওঁ মন্তব্য কৰে। জয়-পৰাজয় ৰাজনীতিৰ এটা অংশ বুলিও তেওঁ উল্লেখ কৰে। বিগত ১০ বছৰত কেন্দ্ৰীয় মন্ত্ৰীসকলে শ্ৰেষ্ঠখিনি উজাৰি কাম কৰাৰ বাবে তেওঁ ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, নীতিন গাডকাৰী, ৰাজনাথ সিং, সৰ্বানন্দ সোণোৱালকে ধৰি আন কেবিনেট মন্ত্ৰীও উপস্থিত থাকে। কালি ঘোষণা কৰা লোকসভা নিৰ্বাচনৰ ফলাফলত এন ডি এ জয়ী হোৱাৰ পাছতে আজি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হৈছে।

ooooo

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো আজি বিশ্ব পৰিৱেশ দিৱস বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। বিগত বৰ্ষৰ দৰে এইবাৰো বিশ্ব পৰিৱেশ দিৱস উপলক্ষে চৰকাৰী আৰু বেচৰকাৰী সংস্থাসমূহে গছপুলি ৰোপণৰ লগতে আন বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰে। ইলোৱা বিজ্ঞান মঞ্চই জিলা আৰু ৰাজ্যিক ভিত্তিত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান প্ৰদৰ্শনীৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মঙলদৈ টাউন হাইস্কুলত এটা পৰিৱেশ সজাগতা অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে বক্তৃতানুষ্ঠানৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰচনা লিখা, পোষ্টাৰ অংকন আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

ইপিনে গোৱালপাৰা, তামুলপুৰ, বৰপেটা, যোৰহাট, তিনিচুকীয়া, শিৱসাগৰ কোকৰাঝাৰ, মৰিগাঁও, কামৰূপ মহানগৰ, দৰং, বাক্সা আদি বিভিন্ন জিলাত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। বন বিভাগৰ গোৱালপাৰা সংমণ্ডলৰ উদ্যোগত পৰিৱেশ দিৱস উপলক্ষে উৰপদ বিলত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই গছপুলি ৰোপণ কাৰ্যসূচী অহা ১৫ জুনলৈ চলিব। তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। বৰপেটাত

বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি চৰকাৰী-বেচৰকাৰী সকলো শিক্ষানুষ্ঠানত গছপুলি ৰোপণ আৰু বক্তৃতা প্ৰদান আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। যোৰহাট আৰক্ষীয়ে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে জিলাখনৰ বিভিন্ন আৰক্ষী থানা আৰু চকীত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে। জিলা আৰক্ষী অধীক্ষক শ্বোৰেটাং মিশ্ৰই যোৰহাট সদৰ থানাৰ চৌহদত গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। জিলাখনৰ মৰিয়নি, তিতাবৰ, টীয়ক আৰক্ষী চকীত গছপুলি ৰোপণ কৰা হয়। তিনিচুকীয়াৰ অসামৰিক প্ৰতিৰক্ষা বিভাগে সূৰ্যোদয় মুক্ত শিশুগৃহৰ সহযোগত দিৱসৰ লগত সংগতি ৰাখি শিশুগৃহৰ চৌহদত গছপুলি ৰোপণ কৰে। কোকৰাঝাৰত জৈৱ বৈচিত্ৰ্য সম্পৰ্কীয় কৰ্মবাহিনীয়ে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে।

আনহাতে কোকৰাঝাৰৰ বিটিচি সচিবালয়তো বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণ কৰা হয়। বিটিচিৰ অধ্যক্ষ কাটিৰাম বড়োৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। দিৱস উপলক্ষে কোকৰাঝাৰৰ ব্ৰহ্ম বাবা টেকনো স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে বাটৰ নাট পৰিৱেশন কৰে। শিৱসাগৰ জিলাতো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। শিৱসাগৰৰ বন সংমণ্ডল প্ৰাধিকৰণৰ উদ্যোগত দিৱস উপলক্ষে সজাগতামূলক চাইকেল ৰেলী উলিওৱা হয়। শিৱসাগৰ বন বিভাগে দিৱসৰ লগত সংগতি ৰাখি যোৱা ২৫ মে'ৰ পৰা জিলাখনৰ বিভিন্ন প্ৰান্তত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। বাক্সা জিলাৰ মানস ৰাষ্ট্ৰীয় উদ্যানত বিশ্ব পৰিৱেশ দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। এই উপলক্ষে সজাগতা সমদল আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সজাগতা সমদলত কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে 'ভূমিৰ পুনৰুদ্ধাৰ কৰা, মৰুময়তা ৰোধ কৰা আৰু খৰাং সহনশীলতা গঢ়ি তোলা'। প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত এই দিৱসে বিশ্বজুৰি যথেষ্ট তাৎপৰ্য বহন কৰি আহিছে।

০০০০০

চলিত মাহটো ৰাজ্যখনত মেলেৰিয়া প্ৰতিৰোধী মাহ হিচাপে পালন কৰা হৈছে। এই উপলক্ষে শোণিতপুৰ জিলা স্বাস্থ্য বিভাগে জিলাখনত সজাগতাৰ কাৰ্যসূচী লোৱাৰ লগতে ৪৯ হাজাৰ ৪৮৪টা তেজৰ নমুনা সংগ্ৰহ কৰিছে। গোৱালপাৰা জিলাতো এখন সজাগতা সভাৰ জৰিয়তে আনুষ্ঠানিকভাৱে মেলেৰিয়া প্ৰতিৰোধী মাহৰ শুভাৰম্ভ কৰা হয়। জিলা যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডা০ জয়ন্ত কুমাৰে দাসে মেলেৰিয়া প্ৰতিৰোধী মাহৰ শুভাৰম্ভ কৰে। এই মাহটোত মেলেৰীয়াৰ প্ৰাৰ্দুভাৱ হোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ আশা কৰ্মীৰ লগতে স্বাস্থ্যকৰ্মীসকলক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে।

০০০০০

সমাপ্ত